নং /৩/৯/ চিডি এইচ /এম ই /২০২
হস্ততাঁত উন্নয়ন আয়ুক্তৰ কাৰ্যালয়
বস্ত্ৰ মন্ত্ৰনালয়, ভাৰত চৰকাৰ

উদ্যোগ ভৱন, নতুন দিল্লী

তাংঃ- ২১-০৮-০৯

প্ৰতি ঃ—

১। সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভাৰপ্ৰাপ্ত হস্ততাঁত সচিব

২। সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ হস্ততাঁত সঞ্চালক

৩। পৰিচালন সঞ্চালক, ৰাজ্যিক হস্ততাঁত উন্নয়ন নিগম / এপেক্স সমবায় সমিতি

৪। চি এম ডি, হস্ততাঁত আৰু হস্তশিল্প ৰপ্তানি নিগম, জৱাহৰ বেপাৰ ভৱন, জনপথ নতুন দিল্লী

৫। পৰিচালন সঞ্চালক, ৰাষ্ট্ৰীয় হস্ততাঁত উন্নয়ন নিগম, ২২ ষ্টেচন ৰ'ড বিকাশ দ্বীপ, লক্ষ্ণৌ

৬। সভাপতি, হস্ততাঁত সামগ্ৰী বাণিজ্যিক নিগম সমিতি, হেণ্ডলুম হাউছ ৯এ কনৌঘাট, নতুন দিল্লী।

**বিষয় ঃ** হস্ততাঁত এজেঞ্জী সমূহে বিক্ৰি কৰা হস্ততাঁত সামগ্ৰীৰ ওপৰত ৰেহাই আঁচনিৰ পুনৰ প্ৰৱৰ্ত্তন (পৰিকল্পনাৰ বৰ্হিভূত)

**মহাশয়/ মহাশয়া,**

পৰিকল্পনা বৰ্হিভূত শতকৰা ১০% শতাংশ ৰেহাই আঁচনিৰ পুনৰ প্ৰৱৰ্ত্তনৰ সম্পৰ্কত দৰাচলতে ২৬-০৪-২০০৬ তাৰিখৰ চিঠিৰ একেলেথাৰিয়ে লিখা এইখন চিঠি। অৰ্থনৈতিক পৰিক্ৰমাৰ সদন কমিটিয়ে ইয়াৰ ১০-০৮-২০০৬ তাৰিখে বহা বৈঠকত আঁচনিখন ২০০৬-০৭ ৰ পৰা ২০০৮-০৯ বৰ্ষলৈ ৩ বছৰৰ বাবে পুনৰ প্ৰৱৰ্তনৰ অনুমোদন কৰে। ১০০ কোটি টকা বাজেট মঞ্জুৰীৰ সৈতে আঁচনিখনৰ ১০০% ধনৰাশি কেন্দ্ৰীয় চৰকাৰৰ।

আঁচনিখন প্ৰচলন কৰাৰ পিছত ৰাষ্ট্ৰীয় হস্ততাঁত সংগঠন / ৰাজ্যিক হস্ততাঁত এপেক্স সমবায় সমিতি আৰু প্ৰাথমিক বোৱা কাটা সমবায় সমিতি/ ৰাজ্যিক হস্ততাঁত উন্নয়ন নিগম /ৰাষ্ট্ৰীয় হস্ততাঁত উন্নয়ন নিগম / হস্তশিল্প আৰু হস্ততাঁত ৰপ্তানি নিগমে ১-৪-২০০৬ তাৰিখৰ পৰা ৩ বছৰৰ বাবে উন্নয়ন আয়ুক্তই অনুমোদন দিয়া উৎসৱ / মেলা / প্ৰদৰ্শনী / এক্সপ' আদিত বিক্ৰীৰ ওপৰত সাহাৰ্য্য পাবলৈ সমৰ্থনবান হ'ব। ২০০৬-০৭, ২০০৭-০৮ আৰু ২০০৮-০৯ বৰ্ষত হস্ততাঁত এজেঞ্চি সমূহে হস্ততাঁত সামগ্ৰী বিক্ৰীৰ ওপৰত শতকৰা ১০% ৰেহাই পৰিশোধিত আঁচনিৰ এটি নকল সংলগ্ন কৰা হ'ল। সকলো হস্ততাঁত এজেঞ্চিক সামৰি ল'বলৈ এই আঁচনিখন প্ৰচাৰ কৰিবলৈ অনুৰোধ কৰা হ'ল।

দাবীসমূহ এই কাৰ্যালয়লৈ পঠোৱাৰ আগতে এইটো নিশ্চিত হ'ব লাগিব যে দাবীপত্ৰসমূহৰ নিৰ্দ্ধাৰিত স্থানত সকলো সংশ্লিষ্ট পক্ষই স্বাক্ষৰ কৰিছে আৰু ৰাজ্যৰ হস্ততাঁত বিভাগৰ ভাৰপ্ৰাপ্ত সঞ্চালকে প্ৰতি স্বাক্ষৰ কৰিছে। উৎসৱ অনুসাৰে সমিতিসমূহৰ দাবীসমূহৰ উৎসৱৰ সময়চোৱাৰ বিক্ৰী দেখুৱাই একগোট কৰি ইয়াৰ শতকৰা ১০%

কেন্দ্ৰীয় অংশ দাবী অনুগ্ৰহ কৰি ফ্লপি বা চিডি (Soft copy) আৰু (Hard copy)ৰ প্ৰিণ্ট কপিৰ সৈতে আমালৈ কেন্দ্ৰীয় অংশটো সোনকালে মোকলাই দিবলৈ প্ৰেৰণ কৰিব। এইটো উল্লেখ থাকিল যে ৰাজ্য চৰকাৰে প্ৰতিটো উৎসৱ / মেলা আদিৰ বাবে এবাৰহে দাবী পঠাব আৰু যেতিয়া দাবীবোৰৰ প্ৰস্তাৱ দিব সঞ্চালকে প্ৰমাণ দিব লাগিব যে উৎসৱ /মেলাত ৰাজ্যখনৰ সকলোবোৰ যোগ্যবান এজেঞ্চি অন্তৰ্ভুক্ত হৈছে এইটো সম্পূৰ্ণ আৰু শেষ দাবী। (যিটো উৎসৱ / মেলা তাৰ নাম উল্লেখ কৰিব লাগিব।) এইটোও প্ৰমাণ দিব লাগিব যে একেটা উৎসৱ /মেলা আদিৰ বাবে ৰাজ্যখনৰ অন্য কোনো সমিতিৰ দাবী আৰু পঠোৱা নহ'ব।

সংলগ্ন ঃ- বৰ্ণনা কৰা মতে

আপোনাৰ বিশ্বাসী

স্বাক্ষৰ

(বি কে সিন্হা)

উন্নয়ন আয়ুক্ত, হস্তুতাঁত

# হস্ততাঁত উৎপাদনৰ বিক্ৰীৰ ওপৰত শতকৰা ১০%
# এককালীন পৰিশোধিত আঁচনি ২০০৬-০৭, ২০০৭-০৮ আৰু ২০০৮-০৯

পটভূমি ঃ

ভাৰতবৰ্ষৰ হস্ততাঁত শিল্পৰ স্থান নিযুক্তিকৰণৰ ক্ষেত্ৰত কৃষিৰ পিছতে, যিয়ে প্ৰায় ৬৫ লাখ অনুন্নত ব্যক্তিৰ সংস্থাপনৰ সুবিধা কৰি দিছে। হস্ততাঁত শিল্প শ্ৰমমুখী হোৱা হেতু উৎপাদনৰ খৰচৰ মাত্ৰা বৃদ্ধি আৰু লগতে বিদ্যুৎ চালিত বস্ত্ৰ উদ্যোগ আৰু মিলৰ সৈতে প্ৰতিযোগিতা, বজাৰ আদি কিছুমান সংযোজিত সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে।

হস্ততাঁত শিপিনীৰ বিকেন্দ্ৰীকৰণ সম্পূৰ্ণ নিৰ্ভৰ কৰে হস্ততাঁত এজেঞ্চি (প্ৰতিনিধি) আৰু ব্যক্তিগত ব্যৱসায়ী সকলৰ উৎপাদন সামগ্ৰীৰ ওপৰত। সহায়ক আঁচনিৰ জৰিয়তে চৰকাৰী হস্তক্ষেপত হস্ততাঁত সংগঠনসমূহক সিহঁতৰ উৎপাদিত সামগ্ৰী বেচা-কিনা কৰাত বিশেষ সাহাৰ্য্য প্ৰদান কৰা হৈছে যাৰফলত তাৰ লগত ব্যক্তিসকলৰ সংস্থাপনৰ লগতে ভৰণ-পোষণৰো সুবিধা হৈছে।

পূৰ্ব্বতে হস্ততাঁত ক্ষেত্ৰত কিছুমান উদগনিমূলক আঁচনি যেনে- বজাৰ উন্নয়ন সহায় আঁচনি, ৰেহাই আঁচনি চিনভেট (CENVAT) বা নেচা সূতাৰ পৰিশোধিত আঁচনি আদি প্ৰৱৰ্তিত হৈছিল। পিছত এই আঁচনিসমূহ বন্ধ ৰখা হ'ল। তথাপিও দীনদয়াল হাটকৰ্ঘা প্ৰোৎসাহন যোজনাৰ অধীনত বাণিজ্যিক উদগনি বাহাল ৰখা হৈছে। যাৰফলত হস্ততাঁত এজেঞ্চিসমূহক উৎপাদিত সামগ্ৰীৰ বেচা-কিনা কৰাত সহায় হৈছে। এই আঁচনিখন ০১/০৪/২০০৪ ইং তাৰিখে প্ৰৱৰ্তন কৰা হৈছিল আৰু সৌভাগ্যক্ৰমে ৩১/০৩/২০০৭ ইং তাৰিখলৈকে ই চলি থাকিব।

হস্ততাঁত সংগঠন, সমিতি আৰু শিপিনীসকলে ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত সদায়েই সমস্যাৰ লগত যুঁজি আছে। সেয়েহে হস্ততাঁত সামগ্ৰীৰ সুস্থ বজাৰৰ বাবে কল-কাৰখানাৰ উৎপাদিত বস্ত্ৰৰ সৈতে কঠোৰ প্ৰতিযোগিতা কৰিব পৰাকৈ ভাৰত চৰকাৰে ২০০৪ চনত শতকৰা ১০% ৰেহাই আঁচনি ১০০ কোটি টকাৰ দাবীৰ মঞ্জুৰীৰ সৈতে প্ৰদান কৰিছিল। এই আঁচনিখন ৰূপায়ণ হোৱাত ৯৫৭ কোটি টকাৰ হস্ততাঁত সামগ্ৰীৰ ক্ৰয়-বিক্ৰয়ৰ লাভ হৈছে আৰু লগে লগে দ'মবান্ধি মজুত হৈ থকা সামগ্ৰীবোৰৰ পৰিমাণ হ্ৰাস হৈছে। ৩১-০৩-২০০৫ ইং তাৰিখৰ পৰা এই আঁচনিখন বাতিল কৰা হ'ল।

বহুতো হস্ততাঁত সংগঠন আৰু ৰাজ্যিক চৰকাৰে বাতিল কৰা আঁচনিখনৰ সমতুল্য আঁচনি পুনৰ প্ৰৱৰ্তনৰ আৱশ্যকতাৰ ওপৰত হেঁচা প্ৰয়োগ কৰিছিল। চিনভেট আঁচনিৰ বাতিলকৰণ আৰু দীনদয়াল হাটকৰ্ঘা প্ৰোৎসাহন যোজনাৰ অধীনত চলা পুতৌজনক ক্ৰয়-বিক্ৰয়ে পৰৱৰ্তী সময়ত ৰেহাই আঁচনিৰ পুনৰ প্ৰৱৰ্তনৰ অধিক আৱশ্যকীয় কৰি তুলিছে।

এই নিমিত্তে চৰকাৰ বিত্ত মন্ত্ৰনালয় আৰু অৰ্থনৈতিক পৰিক্ৰমাৰ সদন সমিতিত এটা প্ৰস্তাৱ লোৱা হৈছিল। যাৰফলত ১০/০৮/২০০৬ ইং তাৰিখে অনুষ্ঠিত হোৱা অৰ্থনৈতিক পৰিক্ৰমা সদন সমিতিৰ সভাত ২০০৬-০৭ বৰ্ষৰপৰা ২০০৮-০৯ লৈ এই তিনি বছৰৰ বাবে আঁচনিখন পুনৰ প্ৰৱৰ্তনৰ প্ৰস্তাৱ গৃহীত হৈছিল। কেন্দ্ৰীয় চৰকাৰে ১০০ কোটি টকা বাজেট মঞ্জুৰীৰ সৈতে আঁচনিখন গ্ৰহণ কৰিছে য'ত ১০০% ধন ৰাশি কেন্দ্ৰীয় চৰকাৰৰ।

**আঁচনিখনৰ উদ্দেশ্য ঃ** আঁচনিখনৰ মুখ্য উদ্দেশ্য হ'ল ৰাষ্ট্ৰীয় পৰ্যায়ৰ হস্ততাঁত সংস্থা/ এজেঞ্জী যেনে ৰাষ্ট্ৰীয় হস্ততাঁত উন্নয়ন নিগম।(২) সৰ্বভাৰতীয় হস্ততাঁত হস্তশিল্প বাণিজ্যিক সমবায় সমিতি (AIHFMCS) (৩) হস্তশিল্প আৰু হস্ততাঁত ৰপ্তানী নিগম আদিক সামগ্ৰীসমূহ বিক্ৰী কৰণত সহায় কৰা। ইয়াৰ উপৰিও আঁচনিখনে ৰাজ্যিক পৰ্যায়ৰ হস্ততাঁত সংস্থা যেনে— ১। ৰাজ্যিক হস্ততাঁত নিগম/ ৰাজ্যিক শীৰ্ষপৰ্যায়ৰ সমবায় সমিতি (State Apex co-operative Societies) হস্ততাঁত ফেডাৰেচন (Handloom Federation) আঞ্চলিক হস্ততাঁত সংস্থা আৰু

প্ৰাথমিক হস্ততাঁত শিপিনী সমবায় সমিতি (Primary Handloom weavers co-operative Societies) আদিক সিহঁতৰ উৎপাদিত সামগ্ৰীৰ ১০% ৰেহাই হাৰত ক্ৰয়-বিক্ৰয় কৰাত সুবিধা কৰি দিব। ইয়াৰ বাবে এই ৰাজ্যিক পৰ্যায়ৰ সংস্থাসমূহে বিভিন্ন ক্ৰয় ব্যৱস্থা, বিশেষ মেলা, ৰাজ্যিক, ৰাষ্ট্ৰীয় জিলা পৰ্যায়ৰ প্ৰদৰ্শনীত অংশ গ্ৰহণ কৰি নিজৰ উৎপাদিত সামগ্ৰীসমূহ ক্ৰয়-বিক্ৰয় কৰিব পাৰে। এইটোৱে সামগ্ৰীসমূহৰ ক্ৰয়-বিক্ৰয় পৰিক্ৰমা সক্ৰিয় ৰাখিব আৰু লগতে শিপিনীসমূহৰ সৈতে বহুতকে সংস্থাপনৰ দিহা কৰিব।

৩। আঁচনিখনৰ প্ৰয়োগ বা বলবৎকৰণ ঃ

আঁচনিখন ৰাজ্যিক চৰকাৰ জৰিয়তে ৰূপায়ণ কৰা হ'ব। ৰূপায়ণকাৰী এজেঞ্চীসমূহে অনুমোদিত প্ৰ-পত্ৰত নিজৰ দাবী উত্থাপন কৰি নিজ নিজ ৰাজ্যৰ ভাৰপ্ৰাপ্ত হস্ততাঁত সঞ্চালক (Director-in-charge)ৰ ওচৰত জমা দিব আৰু তেওঁ সেই দাবী সমূহ অনুধাৱন আৰু গ্ৰহণ কৰি এক উচিত পৰিমাণৰ টকা মঞ্জুৰ কৰাৰ বাবে হস্ততাঁত উন্নয়ন আয়ুক্তৰ কাৰ্যালয়ত জমা দিব। এই বিত্তীয় সাহাৰ্য্য হস্ততাঁত সংস্থা তথা এজেঞ্চিসমূহক ৰাজ্য চৰকাৰ / কেন্দ্ৰীয় শাসিত অঞ্চলৰ জৰিয়তে মোকলাই দিয়া হ'ব। অৱশ্যে যিবিলাক ৰাষ্ট্ৰীয় পৰ্যায়ৰ হস্ততাঁত সংস্থা আছে যিবোৰ ৰাজ্যিক চৰকাৰৰ অধীনত নাহে সেই সমূহে প্ৰত্যক্ষভাৱে বিত্তীয় সাহাৰ্য্য ল'ব পাৰিব।

৪। আঁচনিখনৰ সময়সূচী ঃ

প্ৰস্তাৱিত ৰেহাই আঁচনিখন ৩১/০৪/২০০৬ ইং তাৰিখৰ পৰা ৩১/০৩/২০০৯ লৈ বলবৎ হোৱাকৈ তিনি বছৰৰ বাবে পুনৰ প্ৰৱৰ্তন কৰা হ'ব।

৫। বাজেটীয় সাহাৰ্য্য ঃ

আঁচনিখনৰ বাবে কেন্দ্ৰীয় চৰকাৰে বাজেটৰ অধীনত ১০০ কোটি টকা মঞ্জুৰ কৰিব আৰু ১০০ শতাংশ কেন্দ্ৰীয় চৰকাৰ অংশ ধন হ'ব।

৬। উৎসৱৰ দিনপঞ্জী (কেলেণ্ডাৰ)

| **উৎসৱৰ নাম** | **দিনৰ সংখ্যা** |
|---|---|
| মহাবীৰ জয়ন্তী আৰু গুড ফ্ৰাইডে<br>মিলাদ-উন নবি (হজৰত মহম্মদৰ জন্মদিন) | ৯ দিন |
| আৰু বুদ্ধ পূৰ্ণিমা | ৯ দিন |
| ৰথ যাত্ৰা<br>স্বাধীনতা দিৱস / গণেশ চতুৰ্থী / পাচী / নববৰ্ষ/ | ৯ দিন |
| ওনাম / ৰক্ষা বন্ধন<br>গান্ধী জয়ন্তী / দশেৰা / দূৰ্গা পুজা / দীপাৱলী/ | ২০ দিন |
| ভাইদোজ / আৰু ইদ-উল-ফিটৰ | ৪৫ দিন |
| খ্ৰীষ্টমাছ, (মকৰ সংক্ৰান্তি মাঘ বিহু পংগল)<br>হোলী | ১০ দিন<br>১০ দিন |
| মুঠ | ১২৮ দিন |

৭। ওপৰত উল্লেখিত দিনবোৰৰ উপৰিও হস্ততাঁত উন্নয়ন আয়ুক্তৰ অনুমোদিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ হস্ততাঁত মেলা /বিশেষ হস্ততাঁত মেলা /জিলা পৰ্যায়ৰ প্ৰদৰ্শনী তথা মেলা আদিত বিক্ৰী হোৱা হস্ততাঁত সামগ্ৰীৰ ওপৰত ১০% ৰেহাই পৰিশোধ প্ৰযোজ্য হ'ব। ৬ নং দফাত উল্লেখ কৰা উৎসৱৰ বাহিৰেও কেন্দ্ৰীয় শাসিত অঞ্চল আৰু ৰাজ্য চৰকাৰে অতি বেছি ৭ দিনৰ বাবে যিকোনো এটি উৎসৱত উন্নয়ন আয়ুক্তৰ অনুমোদন লৈ এই আঁচনিৰ ম্যাদ বৃদ্ধি কৰিব পাৰে।

**হিতাধিকাৰী ঃ**

৮। আঁচনিখনৰ প্ৰকৃত হিতাধিকাৰী হ'ব হস্ততাঁত শিপিনীসকল আৰু ৰূপায়ণকাৰী এজেঞ্চিসমূহ। আঁচনিখন কাৰ্যত পৰিণত হোৱাৰ লগে লগে এজেঞ্চিসমূহে বিশেষ ৰেহাই হাৰত পৰ্যাপ্ত হস্ততাঁত সঞ্চিত সামগ্ৰীবোৰ বিক্ৰী কৰিব পাৰিব। ইয়াৰ লগে লগে এজেঞ্চিসমূহে অধিক উৎপাদন, হস্ততাঁত সামগ্ৰীৰ সঞ্চিত পুঁজিৰ বৃদ্ধি সদস্য, শিপিনী, হস্ততাঁত সমিতি তথা সহযোগী সমিতিৰ দ্বাৰাই কৰিব পাৰিব।

**বিশেষ ৰেহাই হাৰ ঃ**

বিশেষ ৰেহাই হাৰ হ'ব ১০% আৰু সেইটো নিৰ্ভৰ কৰিব কাৰ্যকৰী এজেঞ্চিসমূহে বিক্ৰী কৰা বস্ত্ৰৰ ওপৰত- যিবোৰ সেই এজেঞ্চিসমূহে ৬ নং আৰু ৭ দফাত উল্লেখ কৰা ধৰণে বিশেষ উৎসৱত প্ৰদৰ্শনী বা মেলাৰ জৰিয়তে বিক্ৰী কৰিব।

**ৰেহাইৰ চৰ্তাৱলী ঃ**

ক) আঁচনিখনৰ অধীনৰ সমগ্ৰ সাহাৰ্য্য কেন্দ্ৰীয় মঞ্জুৰীৰ ৰূপত ৰাজ্যিক চৰকাৰৰ জৰিয়তে প্ৰদান কৰা হ'ব। ৰাষ্ট্ৰীয় পৰ্যায়ৰ হস্ততাঁত সংস্থাবোৰলৈ বিত্তীয় সাহাৰ্য্য কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰত্যক্ষভাৱে প্ৰদান কৰা হ'ব।

খ) আঁচনিখন চলি থকাৰ সময়ৰ ভিতৰত সংশ্লিষ্ট এজেঞ্চিসমূহে বিক্ৰী কৰা হস্ততাঁত সামগ্ৰীৰ ওপৰত ১০% হাৰত ৰেহাই প্ৰদান কৰা হ'ব। অৱশ্যে ৰাজ্যিক চৰকাৰ তথা এজেঞ্চিসমূহে তেওঁলোকৰ ইচ্ছামতে কোনো সামগ্ৰী বিক্ৰীৰ বাবে ল'বও পাৰে বা নলবও পাৰে, কিন্তু এই সিদ্ধান্ত আগতে ল'ব লাগিব। নকলেও হ'ব যে যিটো সামগ্ৰী এজেঞ্চি বা ৰাজ্যিক চৰকাৰে বিক্ৰীৰ পৰা বৰ্হিভুক্ত কৰে তাৰ ওপৰত কোনো ৰেহাই প্ৰযোজ্য নহ'ব।

(গ) এই বিশেষ ৰেহাই গ্ৰাহকৰ ওচৰত খুচুৰা বিক্ৰীৰ বাবেহে প্ৰযোজ্য হ'ব। কিন্তু প্ৰাথমিক পৰ্যায়ৰ সংস্থাৰ পৰা শীৰ্ষ পৰ্যায়ৰ সংস্থালৈ উৎপাদিত সামগ্ৰীৰ পুঁজি হস্তান্তৰ হ'লে এই ৰেহাই পৰ্যাপ্ত নহ'ব। এইটো কথাও উনুকিৱা ভাল হ'ব যে একেটা সামগ্ৰীৰ ওপৰত এবাৰতকৈ অধিক ৰেহাই দিয়া নহ'ব।

(ঘ) কাৰ্য্যকৰী এজেঞ্চিসমূহে তেওঁলোকৰ দাবী সমূহ এক নিৰ্দ্দিষ্ট সময়ৰ ব্যৱধানত দাখিল কৰিব যিটো হস্ততাঁত বিভাগৰ উন্নয়ন আয়ুক্তই সংলগ্ন পত্ৰ নং ১ ত লিখিত আকাৰত ৰাজ্যিক চৰকাৰৰ ওচৰত দাখিল কৰিব আদেশ জাৰি কৰিছে। ৰাজ্যিক চৰকাৰে সেই দাবী সমূহ তন্ন্ তন্নকৈ পৰীক্ষা কৰিব আৰু কেন্দ্ৰীয় চৰকাৰলৈ সংলগ্ন পত্ৰ- ২ সৈতে ধন মোকলাই দিবলৈ অনুমোদন কৰিব।

(ঙ) ৰাষ্ট্ৰীয় পৰ্যায়ৰ হস্ততাঁত সংস্থা যেনে- (ক) এ আই এইচ্ এফএম চি এচ (খ) এইচ্ এইচ্ ই ছি (গ) এন এইচ ডি চি আদি সমূহে তেওঁলোকৰ দাবীসমূহ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰত্যক্ষভাৱে উত্থাপন কৰিব।

(চ) ৰাজ্যিক চৰকাৰে তেওঁলোকৰ দাবীসমূহ ৰাজ্যিক পৰ্যায়ৰ হস্ততাঁত সংস্থাসমূহলৈ মাত্ৰ এবাৰৰ বাবে এক নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত প্ৰেৰণ কৰিব। লগতে দাবীসমূহ যে সেই নিৰ্দ্দিষ্ট সময়ৰ বাবে সম্পূৰ্ণ আৰু শেষ তাৰো এক প্ৰমাণ পত্ৰ পঠাব।

(ছ) ৰূপায়ণকাৰী সংস্থা সমূহে সিহঁতৰ উৎপাদিত সামগ্ৰীৰ বিক্ৰীৰ বাবে উত্থাপন কৰা দাবীসমূহ তেওঁলোকৰ শিপিনী, সমিতি বা সদস্যৰ স্বাক্ষৰৰ সৈতে এখন প্ৰমাণ পত্ৰ দিব লাগিব।

(জ) এই ৰেহাই চৰকাৰী কোনো বিভাগ বা এজেঞ্চিয়ে পাইকাৰী হাৰত বিক্ৰী কৰিলে প্ৰযোজ্য নহ'ব। ইয়াৰোপৰিও কোনো ৰাষ্ট্ৰীয় বা ৰাজ্যিক পৰ্যায়ৰ শীৰ্ষ হস্ততাঁত সমিতি অথবা এজেঞ্চিয়ে বিনিময় প্ৰথাত বিক্ৰী কৰিলেও এই ৰেহাই আঁচনি প্ৰযোজ্য নহ'ব। কোনো বস্তু কমিছনৰ ভিত্তিত বিক্ৰী কৰিলেও এই ৰেহাই প্ৰযোজ্য নহ'ব।

(ঝ) হস্ততাঁত সামগ্ৰীৰ বিক্ৰীৰ বাবেহে যে ৰেহাই  আঁচনিৰ অধীনত  দাবী কৰা হৈছে আৰু তাৰ বাদে কোনো অইন আঁচনিৰ সাহাৰ্য্য বিচৰা নাই তাৰ বাবে এখন প্ৰমাণ পত্ৰ দিব লাগিব।

(ঞ) ৰূপায়ণকাৰী সংস্থাসমূহলৈ পৰিশোধিত ধন মঞ্জুৰ কৰা হ'ব  সিহঁতৰ দাবী সমূহ নিৰ্দ্ধাৰিত প্ৰ-পত্ৰত ৰাজ্যিক চৰকাৰৰ অনুমোদন সাপেক্ষেহে। অৱশ্যে ইয়াত হস্ততাঁত এজেঞ্চিৰ মুখ্য কাৰ্যকৰী বিষয়া আৰু চাৰ্টাৰ্দ একাউন্টেন্ট বা সহযোগী কোনো অডিটৰৰ মোহৰৰ তথা তেওঁলোকৰ পঞ্জীয়ন নংৰ সৈতে স্বাক্ষৰ থাকিব লাগিব।

(ট) প্ৰমাণ পত্ৰখনত হস্ততাঁত বিভাগৰ ৰাজ্যিক সঞ্চালক / আয়ুক্ত বা কোনো আমোলা বিষয়াৰ স্বাক্ষৰ থাকিব লাগিব। এই তথ্যপাতি সমূহ ভাৰত চৰকাৰৰ হিচাপ পৰিদৰ্শন বিভাগ বা হস্ততাঁত উন্নয়ন আয়ুক্তৰ কাৰ্যালয়ত পৰীক্ষা কৰা হ'ব। পঞ্জীয়ন নং আৰু মোহৰযুক্ত স্বাক্ষৰ কৰা চাৰ্টাৰ্দ একাউন্টেইন  /সমবায়ৰ হিচাপ পৰীক্ষকৰ দ্বাৰা প্ৰমাণ পত্ৰ পোৱাৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় পৰ্যায়ৰ সংগঠনৰ ক্ষেত্ৰত পৰিশোধিত ধন মঞ্জুৰ কৰা হ'ব। এই প্ৰমাণ পত্ৰ এজেঞ্চিৰ কাৰ্যবাহী বিষয়াই উপৰুৱা স্বাক্ষৰ কৰিব আৰু কেন্দ্ৰীয় চৰকাৰ / উন্নয়ন আয়ুক্তৰ কাৰ্যালয়ে পৰীক্ষা কৰিব।

১১। অন্য ৰাজ্যক বঞ্চিত কৰি কোনো ৰাজ্যই যাতে মূল আৱন্টনৰ সৰ্বাধিক অংশ নাপায় সেইটো নিশ্চিত কৰিব লাগিব। এটা উৎসৱৰ পৰা আন এটা উৎসৱলৈ এই সুবিধাটো সম্প্ৰসাৰণ হ'ব। ভাৰপ্ৰাপ্ত সঞ্চালক হস্ততাঁতে ৰেহাই বিক্ৰী আৰু ৰেহাই দাবীৰ প্ৰাৰম্ভিক তথ্য উৎসৱটো শেষ হোৱাৰ এমাহৰ ভিতৰত ধন মোকলাই দিবলৈ উন্নয়ন আয়ুক্তলৈ পঠাব লাগিব।

১২। ৰাজ্যৰ সকলো হস্ততাঁত এজেঞ্চিৰ তথ্যসমূহ সংলগ্ন পত্ৰ-২ উনুকিয়াব লাগিব। আৰু সেইবোৰ উৎসৱ অনুসাৰে ভাৰপ্ৰাপ্ত হস্ততাঁত সঞ্চালকে প্ৰতি স্বাক্ষৰ কৰিব লাগিব।

১৩। দাবীসমূহ এই কাৰ্যালয়লৈ পঠোৱাৰ আগতে এইটো নিশ্চিত হ'ব লাগিব যে দাবীপত্ৰসমূহৰ নিৰ্দ্ধাৰিত স্থানত সংশ্লিষ্ট সকলো পক্ষই স্বাক্ষৰ কৰিছে আৰু ৰাজ্যৰ হস্ততাঁত বিভাগৰ  ভাৰপ্ৰাপ্ত সঞ্চালকে প্ৰতি স্বাক্ষৰ কৰিছে। উৎসৱ অনুসৰি সমিতি সমূহৰ দাবীসমূহৰ উৎসৱৰ সময়ছোৱাত বিক্ৰী দেখুৱাই একগোট কৰি ইয়াৰ শতকৰা ১০% কেন্দ্ৰীয় অংশ দাবী, এখন চিডি বা ফ্লপি (Soft copy) আৰু প্ৰিণ্ট কপি (Hard copy) ৰ সৈতে পঠাব লাগিব-  কেন্দ্ৰীয় অংশটো সোনকালে মোকলাই দিব পৰাকৈ।  এইটো  উল্লেখ থাকিল যে ৰাজ্য চৰকাৰে প্ৰত্যেকটো উৎসৱ মেলা আদিৰ বাবে এবাৰহে দাবী পঠাব আৰু যেতিয়া দাবীবোৰ পঠাব সঞ্চালক হস্ততাঁত-এ প্ৰমাণ দিয়া উচিত যে ৰাজ্যখনৰ সকলো যোগ্যবান এজেঞ্চি উৎসৱটোত অন্তৰ্ভুক্ত হৈছে আৰু এইটো সম্পূৰ্ণ আৰু শেষ দাবী। (যিটোৰ উৎসৱ / মেলা তাৰ নাম উল্লেখ কৰিব লাগিব) এইটো প্ৰমাণ পত্ৰ দিব লাগিব যে একেটা উৎসৱ-মেলা আদিৰ বাবে ৰাজ্যখনে অন্য কোনো সমিতিৰ আৰু দাবী পঠোৱা নহ'ব।

সংযোগ পত্ৰ ১

হস্ততাঁত এজেঞ্চিসমূহে হস্ততাঁত বস্ত্ৰৰ বিক্ৰীৰ ওপৰত ১০ শতাংশ ৰেহাই দি পৰিশোধনৰ দাবী বিচৰা প-পত্ৰ (দাবীসমূহ উৎসৱ-মেলা অনুযায়ী)

| | | |
|---|---|---|
| | সকলোবোৰ স্তম্ভ পূৰণ কৰিব লাগিবই<br>য'ত তথ্য নাই তাত 'নাই' বুলি চিহ্নিত কৰিব। | |
| ১. (ক) ৰাজ্যৰ নাম | | |
| (খ) দাবীসমূহৰ নিৰ্দ্ধাৰিত সময় | | |
| ২. পঞ্জীয়ন মতে এজেঞ্চিৰ নাম | | |
| ৩. পঞ্জীয়নৰ তাৰিখৰ সৈতে এজেঞ্চীৰ পঞ্জীয়নৰ নং | | |
| ৪. আঁচনিত অন্তৰ্ভুক্ত কৰা উৎসৱৰ নাম তাৰিখৰ সৈতে | হস্ততাঁত সামগ্ৰীৰ উৎপাদিত মজুত বিক্ৰীৰ মূল্য | মজুত সামগ্ৰীৰ বিক্ৰীৰ শতকৰা ১০% |
| ১ | ২ | ৩ |
| | | |
| | | |
| | | |
| বা | | |
| ৫. হস্ততাঁত উন্নয়ন আয়ুক্তৰ অনুমোদিত ৰাষ্ট্ৰীয় হস্ততাঁত মেলা / বিশেষ মেলা / জিলা পৰ্যায়ৰ মেলা / শিল্প মেলা তাৰিখৰ সৈতে | | |

৬. কেন্দ্ৰীয় সাহাৰ্য্য হিচাবে ৰেহাইৰ দাবী মুঠ টকা ---------------- ----------------

৭. প্ৰমাণ পত্ৰ দিয়া হ'ল যে ইয়াত দিয়া ৰেহাই দাবী ধন হস্ততাঁত সামগ্ৰীৰ খুচুৰা বিক্ৰীৰ ওপৰত হৈছে আৰু পূৰ্বত দাবী উত্থাপন হোৱা নাই।

৮. প্ৰমাণ পত্ৰ দিয়া হ'ল যে উপৰোক্ত হস্ততাঁত সামগ্ৰীৰ বিক্ৰী মূল্য যাৰ ওপৰত ৰেহাই দাবী কৰা হৈছে সেই বিক্ৰী মূল্য আগতে বা ভৱিষ্যতেও পৰৱৰ্তী বৰ্ষত দীন দয়াল হাটকৰ্ঘ প্ৰৎসাহন যোজনাৰ বাণিজ্যিক উদ্‌গনিৰ গণনা কৰিবলগীয়া গড় বিক্ৰীৰ মূল্যৰ অন্তৰ্ভুক্ত নহয়।

৯। (ক) প্ৰমাণ পত্ৰ দিয়া হ'ল যে - প্ৰস্তাৱিত দাবীসমূহ এজেঞ্চিৰ লগত সংলগ্ন হৈ থকা শিপিনীৰ উৎপাদন কৰা বা এজেঞ্চিৰ লগত সংলগ্ন হৈ থকা সমবায় সমিতিৰ পৰা কিনা হস্ততাঁত সামগ্ৰীৰ বিক্ৰীৰ ওপৰত কৰা (নিগম / এপেক্স সমবায় সমিতি ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ সমিতি হয়।)

৯। (খ) প্ৰমাণ পত্ৰ দিয়া হ'ল যে প্ৰস্তাৱিত দাবীসমূহ এজেঞ্চী সমূহে উৎপাদন কৰা বস্ত্ৰ সামগ্ৰী (প্ৰাথমিক সমবায় সমিতিৰ সংক্ৰান্তত)

১০। প্ৰমাণ পত্ৰ দিয়া হ'ল যে হস্ততাঁত সামগ্ৰী বিক্ৰী যাৰ ওপৰত ৰেহাই দাবী কৰা হৈছে সেইবোৰ খুচুৰা বিক্ৰী আৰু থোপত বিক্ৰীৰ অন্তৰ্ভুক্ত নহয় বা চৰকাৰী বিভাগক নহয় /বা চৰকাৰী এজেঞ্চি বা ৰাজ্যিক হস্ততাঁত নিগমক বা ৰাষ্ট্ৰীয়/ ৰাজ্যিক এপেক্স সমবায় সমিতি ফেডাৰেচন বা অন্য হস্ততাঁত এজেঞ্চি বা বিনিময় প্ৰথাৰ বিক্ৰী বা বিক্ৰীৰ ওপৰত পুৰস্কাৰ লোৱা অন্তৰ্ভুক্ত নহয়।

১১। প্ৰমাণ পত্ৰ দিয়া হ'ল যে প্ৰস্তাৱিত দাবীসমূহ কেৱল এজেঞ্চি সমূহৰ লগত সংলগ্ন হৈ থকা হস্ততাঁত শিপিনীৰ উৎপাদন সামগ্ৰী/ ক্ৰয় সামগ্ৰীৰ বিক্ৰীৰ ওপৰত।

১২। প্ৰমাণ পত্ৰ দিয়া হ'ল যে উপৰোক্ত বিশষ ৰেহাই এজেঞ্চি মসূহৰ দ্বাৰা গ্ৰাহকক দিয়া হৈছে আৰু এইটো কোনো আঁচনিত দাবী কৰা নাই।

১৩। প্ৰমাণ পত্ৰ দিয়া হ'ল যে উপৰোক্ত তথ্যসমূহ শুদ্ধ হিচাপ বহীৰ পৰা সাব্যস্তযোগ্য।

এজেঞ্চিৰ
পৰিচালন সঞ্চালক মুখ্য কাৰ্য্যবাহী
বিষয়াৰ স্বাক্ষৰ চিলৰ সৈতে।

সমবায় সমিতিৰ
হিচাব পৰীক্ষক / চাৰ্টাৰ
একাউন্টেন্ট (পঞ্জীয়ন নং
যুক্ত মোহৰ

**প্ৰমাণ পত্ৰ**

১। স্বাক্ষৰ কৰা হ'ল আৰু প্ৰমাণ পত্ৰ দিয়া হ'ল যে হিতাধিকাৰী প্ৰতিষ্ঠানটো দুৰ্নীতিৰ লগত জড়িত থকাৰ বিশ্বাসযোগ্য যুক্তি নাই।

২। প্ৰমাণ পত্ৰ দিয়া হ'ল যে উপৰোক্ত প্ৰস্তাৱৰ অধীনত কোনো দাবী দুবাৰকৈ পঠোৱা হোৱা নাই। এইটো প্ৰমাণ দিয়া হ'ল যে এই পৰিশোধিত দাবী আগতে পঠোৱা নাই।

৩। প্ৰমাণ পত্ৰ দিয়া হ'ল যে আঁচনিখনৰ সকলো চৰ্ত মানি লোৱা হৈছে।

৪। প্ৰমাণ পত্ৰ দিয়া হ'ল যে হিতাধিকাৰী প্ৰতিষ্ঠানটো অস্তিত্ব আছে আৰু ৰাজ্য বা যিকোনো পাৰ্লিয়ামেন্টৰ /মহাসভাৰ প্ৰতিবন্ধক হোৱা নাই।

স্বাক্ষৰ
সঞ্চালক
হস্ততাঁত বস্ত্ৰশিল্প বিভাগ
(মোহৰ)

সহযোগ পত্ৰ - ২

হস্ততাঁতৰ ভাৰপ্ৰাপ্ত সঞ্চালকে শতকৰা ১০% ৰেহাই আঁচনিৰ কেন্দ্ৰীয় সাহাৰ্য্যৰ বাবে একগোট কৰি পঠাবলগীয়া প্ৰ-পত্ৰ।

| | | | |
|---|---|---|---|
| | (ক) ৰাজ্যৰ নাম | | |
| | (খ) উৎসৱ / মেলা আদিৰ নাম | | |
| ক্ৰমিক নং | হস্ততাঁত এজেঞ্চিৰ নাম | উৎসৱটোত হস্ততাঁত মজুত সামগ্ৰীৰ বিক্ৰীৰ মুঠ মূল্য | মজুত বিক্ৰীৰ শতকৰা ১০ শতাংশ |
| ১ | ২ | ৩ | ৪ |
| | | | |
| | মুঠ — | | |

প্ৰমাণ পত্ৰ ঃ

১। প্ৰমাণ পত্ৰ দিয়া হ'ল যে ওপৰোক্ত বৰ্ণনাসমূহ এজেঞ্চিসমূহৰ সহযোগ পত্ৰত দিয়া ব্যক্তিগত প্ৰস্তাৱিত দাবীসমূহৰ ওপৰত ভিত্তি কৰি গঠন কৰা হৈছে।

২। প্ৰমাণ পত্ৰ দিয়া হ'ল যে উপৰোক্ত বিক্ৰী মূল্য যাৰ ওপৰত ৰেহাই দাবী উত্থাপন কৰা হৈছে উক্ত এজেঞ্চিবোৰৰ সেইমূল্য আগতে বা ভৱিষ্যতে দীন দয়াল হাটকৰ্ঘ প্ৰৎসাহন যোজনাৰ বাণিজ্যিক উদগণিৰ বাবে গণনা কৰিবলগীয়া গড় বিক্ৰীৰ অন্তৰ্ভুক্ত নহয়।

৩। প্ৰমাণ পত্ৰ দিয়া হ'ল যে, উপৰোক্ত প্ৰস্তাৱৰ অধীনত কোনো দাবী দুবাৰকৈ পঠোৱা হোৱা নাই। এইটোও প্ৰমাণ দিয়া হ'ল যে এই পৰিশোধিত দাবীৰ আগতে প্ৰস্তাৱ দিয়া নাই।

৪। প্ৰমাণ পত্ৰ দিয়া হ'ল যে আঁচনিখনৰ সকলো চৰ্ত মানি লোৱা হৈছে।

৫। প্ৰমাণ পত্ৰ দিয়া হ'ল যে হিতাধীকাৰী প্ৰতিষ্ঠানটোৰ অস্তিষ্ট আছে আৰু ৰাজ্য বা যিকোনো পাৰ্লিয়ামেন্টৰী মহাসভাৰ দ্বাৰা প্ৰতিবন্ধক হোৱা নাই।

৬। প্ৰমাণ পত্ৰ দিয়া হ'ল যে ———————————————— ৰাজ্যৰ আৰু ——————————— উৎসৱ /মেলাৰ বাবে ওপৰত বৰ্ণনা কৰা দাবীসমূহ শেষ দাবী আৰু এই একে উৎসৱ / মেলাৰ বাবে আৰু বেছি দাবী ভৱিষ্যত ৰাজ্য চৰকাৰৰ পৰা দিয়া নহ'ব।

সঞ্চালক

হস্ততাঁত বস্ত্ৰশিল্প বিভাগ

(মোহৰ)